# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-03-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। ভাৰত আৰু ভূটানে ৰাষ্ট্ৰীয় স্বাৰ্থজড়িত বিষয়ৰ ক্ষেত্ৰত পৰস্পৰৰ সৈতে ঘনিষ্ঠ সমন্বয় আৰু সহযোগিতা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰিছে।

২। ভূটানৰ ৰজা জিগমে খেছ'ৰ নামগিয়াল ৱাংছুকে কালি থিম্ফুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অফ দ্যা ড্ৰুক গ্যালপোৰে সন্মানিত কৰে।

৩। দিল্লীৰ এখন আদালতে সুৰা নীতি গোচৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২৮ মাৰ্চ পৰ্যন্ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে।

৪। ভাৰতৰ কিদাম্বি শ্ৰীকান্ত ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। চেন্নাই ছুপাৰ কিংছে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

ভাৰত আৰু ভূটানে ৰাষ্ট্ৰীয় স্বাৰ্থ সম্পৰ্কীয় বিষয়ত ঘনিষ্ঠ সমন্বয় আৰু সহযোগিতা অব্যাহত ৰাখিবলৈ সন্মতি প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভূটান ভ্ৰমণ সন্দৰ্ভত এক যুটীয়া বিবৃতিত এইবুলি কোৱা হৈছে যে উভয় দেশে জলবিদ্যুৎ, সৌৰ আৰু সেউজ হাইড্ৰজেন খণ্ডত স্বচ্ছ শক্তিৰ সহযোগিতা সম্প্ৰসাৰণ কৰিব আৰু শক্তি সুৰক্ষা বৃদ্ধিৰ বাবে যৌথভাৱে নতুন প্ৰকল্প গঢ়ি তুলিব। যুটীয়া বিবৃতিটোত ভাৰত-ভূটান শক্তি সহযোগিতা সন্দৰ্ভত মুকলি কৰা যুটীয়া দৃষ্টিভংগী বিবৃতিক আদৰণি জনোৱা হয়। দুয়োখন ৰাষ্ট্ৰই অৰ্থনৈতিক আৰু ডিজিটীয় সংযোগৰ বিকাশৰ লগতে ৰেল সংযোগ, পথ, বায়ু, জলপথ তথা বাণিজ্য আন্তঃগাঁথনিৰ বিকাশৰ জৰিয়তে সামগ্ৰী আৰু সেৱা ইখনৰ পৰা সিখন দেশলৈ লৈ যাবলৈ এটা পৰিৱৰ্তনশীল সহযোগিতা গ্ৰহণ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। উভয় দেশৰ এই সহযোগিতা উমৈহতীয়া মূল্যবোধৰ লগতে সাংস্কৃতিক আৰু আধ্যাত্মিক ঐতিহ্যৰ ওপৰত আধাৰিত। যুটীয়া বিবৃতিটোত ভাৰত আৰু ভূটানৰ এই সম্পৰ্ক উভয় দেশৰ ৰাজনৈতিক নেতৃত্বৰ দ্বাৰা বিকশাই তোলা হৈছে বুলি উল্লেখ কৰা হয়।

০০০০০

ভূটানৰ ৰজা জিগমে খেছ'ৰ নামগিয়াল ৱাংছুকে কালি থিম্ফুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অফ দ্যা ড্ৰুক গ্যালপোৰে সন্মানিত কৰে। এই উপলক্ষে শ্ৰীমোদীয়ে কয় যে, এয়া তেওঁৰ জীৱনৰ বাবে এটা বৃহৎ দিন। তেওঁ কয় যে, প্ৰতিটো বঁটাই বিশেষ কিন্তু যেতিয়া অন্য এখন দেশৰ পৰা বঁটা লাভ কৰা হয় তেতিয়া দুয়োখন দেশ যে সঠিক দিশত আগবাঢ়িছে সেয়া স্পষ্ট হৈ পৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, এই সন্মান তেওঁৰ ব্যক্তিগত সাফল্য নহয় বৰং দেশ আৰু ১৪০ কোটি ভাৰতীয়ৰ সন্মান।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী এই সন্মান লাভ কৰা প্ৰথমগৰাকী বিদেশী নেতা। বঁটাৰ সৈতে প্ৰদান কৰা প্ৰশস্তিপত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ব্যক্তিগত সাফল্য আৰু নেতৃত্ব তথা ভাৰত আৰু ভূটানৰ মাজৰ সম্পৰ্কৰ এনাজৰী সূদৃঢ় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ স্বীকৃতিস্বৰূপে এই সন্মান প্ৰদান কৰা বুলি উল্লেখ কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গোলকীয় শক্তি হিচাপে ভাৰতৰ উত্থানৰ সন্মানাৰ্থে আৰু ভাৰতৰ সৈতে ভূটানৰ বিশেষ এনাজৰীৰ উদযাপনকল্পে এই সন্মান আগবঢ়োৱা হৈছে বুলি উল্লেখ কৰা হৈছে।

০০০০০

দিল্লীৰ এখন আদালতে সুৰা নীতি গোচৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২৮ মাৰ্চ পৰ্যন্ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বৃহস্পতিবাৰে নিশা গ্ৰেপ্তাৰ কৰা কেজৰিৱালক কালি ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱাৰ পাছত বিশেষ চি বি আই ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ দিয়ে। আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ মূল ষড়যন্ত্ৰকাৰী বুলি উল্লেখ কৰি ১০ দিনৰ জিম্মা বিচাৰে। তদন্তকাৰী সংস্থাটোৱে কয় যে, কেজৰিৱাল বৰ্তমান প্ৰত্যাহাৰ কৰা এই সুৰা নীতি প্ৰস্তুত কৰাত পোনপটীয়াকৈ জড়িত আছিল।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ন্যায়ালয়লৈ নিয়াৰ সময়ত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত আম আদমী পাৰ্টীৰ আহ্বায়কগৰাকীয়ে কয় যে, তেওঁ কাৰাগাৰৰ পৰাই দেশৰ হকে কাম কৰি যাব। বিধি বলৱৎকাৰী সঞ্চালকালয়ে বৃহস্পতিবাৰে বিয়লি গ্ৰেপ্তাৰ কৰাৰ সময়ত আম আদমী পাৰ্টীয়ে কৈছিল যে, অৰৱিন্দ কেজৰিৱাল দিল্লীৰ মুখ্যমন্ত্ৰী হৈ থাকিব। দলে লগতে বিধি বলৱৎকাৰী সঞ্চালকালয় কেন্দ্ৰত শাসনাধিস্থিত বিজেপিৰ ৰাজনৈতিক আহিলা ৰূপে পৰিগণিত হোৱা বুলি অভিযোগ তোলে।

০০০০০

দিল্লীৰ মুখ্যমন্ত্ৰী অৰৱিন্দ কেজৰিৱালক বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰাৰ পাছত বিজেপিয়ে কালি কয় যে, দিল্লী সুৰা কেলেংকাৰীৰ ষড়যন্ত্ৰকাৰী অৱশেষত আইনৰ জিম্মালৈ গ'ল। নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত দলৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী স্মৃতি ইৰাণীয়ে দুৰ্নীতিৰ বাবে কেজৰিৱালে প্ৰশাসন তন্ত্ৰৰ অপব্যৱহাৰ কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে, সাংবিধানিক পদত অধিষ্ঠিত তথা সততাৰ দোহাই দিয়া এগৰাকী ব্যক্তিও কেনেকৈ দুৰ্নীতিত লিপ্ত হ'ব পাৰে দেশে সেয়া প্ৰত্যক্ষ কৰিছে। আদালতত এই সন্দৰ্ভত কেতবোৰ কথা সদৰী হোৱা বুলিও তেওঁ উল্লেখ কৰে। ইপিনে, আম আদমী পাৰ্টীৰ নেতা তথা দিল্লীৰ মন্ত্ৰী আতিশীয়ে কৈছে যে, কেজৰিৱাল মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হৈ থাকিব। তেওঁ কয় যে, সংবিধানৰ কোনো ব্যৱস্থা অনুযায়ী তেওঁ পদত্যাগ কৰাৰ আৱশ্যকতা নাই। দিল্লীৰ মন্ত্ৰীসভা অক্ষুন্ন আছে আৰু প্ৰতিটো বিভাগে দক্ষতাৰে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে।

০০০০০

মণিপুৰৰ লোকসভা নিৰ্বাচনৰ দুখন আসনৰ বাবে কংগ্ৰেছ দলে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। ৰাজ্যখনৰ প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি কে মেঘচন্দ্ৰই কৰা ঘোষণা অনুসৰি নতুন দিল্লীৰ জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ অধ্যাপক আংগোমচা বিমন আকোইজাম আৰু প্ৰাক্তন বিধায়ক আলফ্ৰেড কান-গাম আৰ্থাৰে ক্ৰমে মণিপুৰ ইনাৰ আৰু আউটাৰ সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব।

আসন দুখনৰ বাবে এই পৰ্যন্ত চি পি আই আৰু নগা পিপলছ ফ্ৰণ্টেও প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। অৱশ্যে শাসকীয় দল বিজেপিয়ে এতিয়াও আসন দুখনৰ বাবে প্ৰাৰ্থীৰ নাম ঘোষণা কৰা নাই।

০০০০০

নিৰ্বাচন আয়োগে পশ্চিমবংগৰ ৪ খন জিলাৰ বাবে নতুন জিলাধিপতিক নিয়োগ কৰিছে। আয়োগে কালি পূৰ্ব মেদিনীপুৰ, ঝাৰগ্ৰাম, পূৰ্ব বৰ্ধমান আৰু বীৰভূম জিলাৰ জিলাধিপতি কেইগৰাকীৰ বদলিৰ নিৰ্দেশ দিয়ে।

০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ CBSEয়ে অনিয়মত জড়িত থকাৰ অভিযোগত ২০ খন বিদ্যালয়ৰ স্বীকৃতি বাতিল কৰিছে। পৰিষদে কেৱল দিল্লীতে ৫ খনকৈ বিদ্যালয়ৰ স্বীকৃতি বাতিল কৰিছে। পৰিষদে জাৰি কৰা এটা বিবৃতিত এই বুলি কোৱা হৈছে যে, পৰিষদৰ আকস্মিক অনুসন্ধানৰ সময়ত স্বীকৃতি আৰু পৰীক্ষাৰ নিয়মাৱলীৰ সৈতে জড়িত নিয়ম মানি নচলাৰ বাবে বিদ্যালয় কেইখনৰ স্বীকৃতি বাতিল কৰা হৈছে।

০০০০০

মুম্বাইৰ এখন বিশেষ আদালতে কালি বিজেপিৰ সাংসদ প্ৰজ্ঞা সিং ঠাকুৰৰ বিৰুদ্ধে ২০০৮ চনৰ মালেগাওঁ বিস্ফোৰণৰ গোচৰত জাৰি কৰা জামিনযোগ্য ৱাৰেণ্ট বাতিল কৰে। যোৱা ২০ মাৰ্চত পৰা এখন ব্যক্তিগত খণ্ডৰ চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা সাংসদগৰাকীয়ে চিকিৎসালয়ৰ পৰা অব্যাহতি লৈ আদালতত হাজিৰ হোৱাৰ পাছতে এই নিৰ্দেশ দিয়া হয়। আদালতে নিৰ্দিষ্ট কৰি দিয়া দিনত বক্তব্য লিপিবদ্ধ কৰিবলৈ হাজিৰ নোহোৱা বাবে সাংসদগৰাকীৰ বিৰুদ্ধে যোৱা ১১ মাৰ্চত এই ৱাৰেণ্ট জাৰি কৰা হৈছিল।

০০০০০

ৰাছিয়াৰ ৰাজধানী মস্কোৰ সমীপত সংগীতানুষ্ঠানৰ আয়োজন কৰা এটা জনপ্ৰিয় চৌহদৰ ভিতৰত অস্ত্ৰধাৰী আক্ৰমণকাৰীয়ে গুলীচালনা কৰাৰ ফলত কমেও ৪০ জন লোক নিহত হোৱাৰ লগতে ১০০ৰো অধিক লোক আহত হৈছে। ৰাছিয়াৰ চৰকাৰী সংবাদ মাধ্যম টাছে প্ৰকাশ কৰা অনুসৰি ক্ৰকাছ চিটি হলৰ সংগীতানুষ্ঠানৰ চৌহদৰ ভিতৰত তিনিজন অস্ত্ৰধাৰীয়ে গুলীচালনা কৰে। অঞ্চলটোত ৭০টাৰো অধিক এম্বুলেন্সৰ দল আৰু চিকিৎসকে আঘাতপ্ৰাপ্ত লোকসকলক চিকি্ৎসা

সেৰা আগবঢ়ায়। টাছৰ তথ্য অনুসৰি অগ্নিনিৰ্বাপক বাহিনীয়ে প্ৰায় ১০০ জন লোকক অট্টালিকাৰ পৰা বাহিৰলৈ উলিয়াই আনে।

আমেৰিকা যুক্তৰাষ্ট্ৰই পৰিস্থিতি সন্দৰ্ভত অধিক তথ্য সংগ্ৰহৰ বাবে কাম কৰি থকা বুলি জানিবলৈ দিছে আৰু ইউক্ৰেইনে এই আক্ৰমণৰ লগত জড়িত থকাৰ বিষয়ে অস্বীকাৰ কৰিছে।

০০০০০

ভাৰতৰ কিদাম্বি শ্ৰীকান্ত ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ লি চিয়া হাঅ'ক ২১-১০, ২১-১৪ পোনপটীয়া গেমত পৰাভূত কৰে। কিদাম্বি আজি ছেমি ফাইনেলত টাইৱানৰে আন এগৰাকী খেলুৱৈ লিন চুন য়িৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ভাৰতৰ আন দুগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱট আৰু কিৰণ জৰ্জ কালি নিজ নিজ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। প্ৰিয়াংশু টিয়েন চেন চাউৰ হাতত ১৫-২১, ১৯-২১ গেমত পৰাভূত হোৱাৰ বিপৰীতে কিৰণ জৰ্জ ডেনমাৰ্কৰ ৰাছমছ গেম্কেৰ হাতত ২৩-২১, ১৭-২১, ১৫-২১ গেমত পৰাজিত হয়।

০০০০০

চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণৰ প্ৰথমখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৭৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৮টা বল খেলিবলৈ বাকী থকা অৱস্থাত ৪টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। চেন্নাইৰ হৈ ৰচিন ৰবীন্দ্ৰই ১৫টা বলত ৩৭ ৰান কৰে। ইয়াৰ আগেয়ে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৩ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ অনুজ ৰাৱটে ২৫টা বলত সৰ্বাধিক ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। চেন্নাই ছুপাৰ কিংছৰ মুস্তাফিজুৰ ৰহমানে ৪টা উইকেট দখল কৰে। মুস্তাফিজুৰক প্লেয়াৰ আব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে এম এ চিদাম্বৰম ষ্টেডিয়ামত আয়োজিত বৰ্ণিল উদ্বোধনী অনুষ্ঠানেৰে আই পি এল ক্ৰিকেট প্ৰতিযোগিতা আৰম্ভ হয়।

প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মোহালিত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ দেলহি কেপিটেলছৰ মুখামুখি হোৱাৰ বিপৰীতে কলকাতাত সন্ধিয়া চাৰে ৭ বজাত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

**সমাপ্ত**